# তেজ ৰঙা ৰংবোৰ ভেদি

-কৰবী বৰুৱা, স্নাতকোত্তৰ - উদ্ভিদ বিজ্ঞান, বি. এড.

পৃথিৱীখন আশ্চৰ্যকৰ! আমি ভবাতকৈও বেছি মনোমোহা কাৰু-কাৰ্য খচিত এই ধৰা। বিস্ময়কৰ প্ৰকৃতিৰ এই অৱদান। চিন্তাৰ পৰিধিয়েও ঢুকি নোপোৱা এক উচ্চতা চুম্বি আছে বিস্ময়ভৰা কৌতুহল, উৎকণ্ঠা, নানা উত্তৰ বিহীন প্ৰশ্নই। বিজ্ঞানৰ অভূতপূৰ্ব সমাধানেও তৃপ্তি যোগাব নোৱাৰে কোনো কোনো ক্ষেত্ৰত উদ্ভৱ হোৱা মনৰ মাজৰ সেই প্ৰশ্ন ভাণ্ডাৰক।

আমি যেতিয়া বিদ্যালয়ত 'ভূগোল' বিষয়টো অধ্যয়ন কৰিছিলোঁ, শিক্ষকসকলে বা মেপৰ অনুসৰি বিভিন্ন সৰু-বৰ নদ- নদী, সাগৰ-মহাসাগৰ, হ্ৰদ আদি সকলোতে আমি মাত্ৰ এটাই ৰং ব্যৱহাৰ হোৱা দেখিছিলোঁ, সেইটো হ' ল-নীলা। কিন্তু আমাৰ এই ধাৰণাক ভুল প্ৰমাণ কৰিবলৈকে যেন প্ৰকৃতিয়ে এখন খেলৰ ৰচনা কৰিলে। ব্যতিক্ৰমী-অস্বাভাৱিক অথচ বাস্তৱ কথা-পানীৰ বৰণ গুলপীয়া। অবিশ্বাস্য যেন লাগিলেও এইয়াই সত্য।

প্ৰকৃতিৰ চালে চকুৰোৱা কাৰু-কাৰ্যক যেন আৰু এখোজ আগলৈ আগবঢ়াই নিছিল এক অনন্য সৃষ্টিয়ে;যাৰ নাম-পিংক্ লেক্ (গুলপীয়া হ্ৰদ)। পশ্চিম অষ্ট্ৰেলিয়াত অৱস্থিত এই অপৰূপ সৌন্দৰ্যৰ ভাণ্ডাৰক 'লেক্ স্পেনছাৰ'(lake Spencer) বুলিও জনা যায়।

প্ৰায় ৬০০ মিটাৰ দৈৰ্ঘ্যৰ 'লেক্ হিলিয়াৰ' (lake Hillier) এ কেৱল নিজৰ আকৃতি বা ইয়াৰ মৎস্য গণৰ বৈচিত্ৰ্যতাৰে আমাক মনোমুগ্ধ কৰিব এনে নহয়। আমাৰ মন-প্ৰাণ হৰিবৰ বাবে ইয়াৰ তীব্ৰ আকৰ্ষণীয় গুলপীয়া ৰঙৰ এফুটাই যথেষ্ট। সুবিশাল আকাশৰ সপোন উজ্জ্বল নীলা ৰং আৰু সুগভীৰ-শান্ত-সমাদৃত হ্ৰদৰ গুলপীয়া বৰণৰ সংমিশ্ৰণেৰে এক নান্দনিক দৃশ্যৰ সৃষ্টি কৰে। স্বচক্ষে প্ৰত্যক্ষ নকৰিলে এনে অনুভৱ হৃদয়ংগম কৰাটো কঠিন।

আঁৰৰ কাহিনী :- সকলোৰে মনত উদ্ভৱ হোৱা প্ৰশ্নটোৱে হৈছে নিশ্চিত ভাৱে- পানীৰ ৰং কিয় গুলপীয়া? এই সম্পৰ্কে বিজ্ঞানীমহলৰ মাজত নানা ধৰণৰ চিন্তা-চৰ্চা তথা গৱেষণা আজিও চলি আছে যদিও তেওঁলোক সম্পূৰ্ণ ৰূপে ব্যৰ্থ নাই হোৱা ইয়াৰ তথ্য আহৰণত। ডুনেলিয়েলা চেলিনা (Dunaliella salina) নামৰ এবিধ শেলাই (Microalgae) ৰ উপস্থিতিয়ে এই গুলপীয়া ৰঙৰ আঁৰৰ

কাহিনী বুলি বিজ্ঞানীসকলে ক’ বলৈ বিচাৰে। ডুনেলিয়েলাই কেৰ’ টিনয়ড্ নামৰ এবিধ ৰঞ্জক পদাৰ্থ বহন কৰে;এইবিধ ৰঞ্জক পদাৰ্থ সচৰাচৰ গাজৰৰ গাটো থকা দেখা যায়। যদিও বিজ্ঞানীসকলে ডুনেলিয়েলাকে মুখ্য কাৰণ বুলি বিবেচনা কৰিছে, ইয়াতো মতবিৰোধ নথকা নহয়। এচাম বিজ্ঞানীৰ মতে লৱণপ্ৰেমী (halophilic মানে salt-loving) বেক্টেৰিয়াও আন এক বিৱৰণ হ’ ব পাৰে। তেওঁলোকে দাবী কৰে যে লৱণ আৰু ছ’ ডিয়াম বাইকাৰ্ব’ নেটৰ মাজৰ বিক্ৰিয়াই এই ৰঙৰ মূল উৎস। এছ’ চিয়েছন অব্ বায়’ মলিকুলাৰ ৰিছ’ ৰ্চ ফেছিলিটিচ্ (Association of Biomolecular resource facilities), মেটাজেন’ মিক্স ৰিচাৰ্ছ গ্ৰুপ ( Metagenomics research group) ইত্যাদিয়ে কৰা মেটাজেন’ মিক্ গৱেষণাৰ পৰা তেওঁলোকে সেই হ্ৰদত ডুনেলিয়েলাৰ উপৰিও চেলিনিবেক্টাৰ ৰুবাৰ (Salinibacter ruber) , ডিক্লু’ ৰ’ ম’ নাচ্ এৰ’ মেটিকা (Dechloromonas aromatica) আৰু আৰ্কিয়া(Archea) ৰ বহুতো প্ৰজাতিৰ সম্ভেদ পোৱা বুলি মত পোষণ কৰে।

ক্ষতিকাৰক নেকি এই হ্ৰদৰ পানী :- সততে মনত উদয় হোৱা প্ৰশ্নটোৱে হৈছে- যিহেতু ৰংটো অস্বাভাবিক;গতিকে সেই হ্ৰদৰ পানীও কেৱল মানুহৰ বাবেই নহয় সাধাৰণ জীৱ-জন্তু, মৎস্য ইত্যাদি বোৰৰ বাবেও অপকাৰী??এইধৰণৰ প্ৰশ্ন উত্থাপন হোৱাটো সাধাৰণ কথা। কিন্তু আশ্চৰ্যজনক ভাৱে এই পানীয়ে একো ক্ষতি নকৰে। লৱণৰ পৰিমাণক বাদ দি বাকী কোনো ক্ষতিকাৰক পদাৰ্থ এই হ্ৰদৰ পানীত নাই। ইয়াত সাঁতুৰিলেও একোধৰণৰ অপকাৰ নহয় বুলি বিজ্ঞানীসকলে জানিবলৈ দিছে। ডুনেলিয়েলা চেলিনা শেলাই বিধো মুঠেই অপকাৰী নহয়। পৰ্যটনকাৰীয়ে সাঁতুৰি সেই হ্ৰদৰ সোৱাদ লওঁ বুলিলেও ল’ ব পাৰে, যিহেতু কোনোধৰণৰ ছাল বা অন্য অপকাৰ নহয় বুলি বিজ্ঞানীসকলে ঠাৰৰ কৰিছে।

সৌন্দৰ্যৰ আকৰেৰে গঢ়া এই হ্ৰদটি বৰ্তমান সমগ্ৰ বিশ্বতে এক আশ্চৰ্যকৰ চিহ্ন হিচাপে প্ৰতিফলিত হৈছে। বিশ্বৰ পৰ্যটকৰ এক মূল আকৰ্ষণ কেন্দ্ৰ। আশা কৰোঁ ;বৰ্তমান অসুস্থ পৰিৱেশৰ প্ৰভাৱ সেই ৰহস্যময় ভাণ্ডাৰত নপৰক। স্নিগ্ধ জোনাকত পংকিলতা নানামক।

“গুলপীয়া আলোকেৰে গৰ্বিত জলাশয়ৰ হৃদয় দেখিছা?

যি আকাশৰ নীলাখিনিক প্ৰত্যাখ্যান কৰিছে,

যি মোহনীয় গোলাপী মূৰ্চ্ছনাত অনন্ত পিয়াসী

স্বৰ্গৰ পৰীলৈ উত্তৰণ হৈছে…. “। (-অনিতা ডেকা বৰা)